SP-3283


সেউজ পত্ৰিকা

প্ৰকৃতি আৰু পৰিৱেশ বিষয়ক পত্ৰিকা

GREEN LETTER

18TH ISSUE
SEPT, 2010

A JOURNAL ON ENVIRONMENT & NATURE


*পৰিৱেশবিদ শঙ্কৰদেৱ বিশেষ সংখ্যা / ১*

### পৰিৱেশবিদ শঙ্কৰদেৱ বিশেষ সংখ্যা কিয় ?

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমীয়া জাতিৰ পিতৃ বুলি আমি সকলোৱে এক আষাৰে স্বীকাৰ কৰি লৈছো। পিছে গুৰুজনাক আমি ধৰ্ম-কলা আৰু সংস্কৃতিৰ মাজতে বিশেষভাবে বান্ধি ৰখা যেন লাগে। গুৰুজনা যে এজন সমাজ-বিজ্ঞানী আৰু প্ৰকৃতি তথা পৰিৱেশবিদো আছিল সেই কথা এতিয়াও গভীৰভাবে আলোচনা হোৱা নাই । গুৰুজনাৰ প্ৰকৃতি পৰিৱেশমূলক জ্ঞান ৰাজিক আৰু তেওঁৰ প্ৰকৃতি সংৰক্ষণমূলক দৰ্শনক আজিৰ প্ৰকৃতিধ্বংসী সময়ত অতি আৱশ্যকীয় হৈ পৰিছে আৰু সেইবাবে ইয়াৰ চিন্তা-চৰ্চাৰো প্ৰয়োজনীয়তা আহি পৰিছে । অসমৰ জাতীয় পৰিৱেশ সংগঠনৰূপে প্ৰতিষ্ঠা লাভ কৰা অৰণ্য সুৰক্ষা সমিতি - অসমে সেইবাবে, সংগঠনটোৰ মুখপত্ৰ স্বৰূপে 'সেউজ পত্ৰিকা'ৰ এই সংখ্যা আৰু অহা সংখ্যাটোও 'পৰিৱেশবিদ্ শংকৰদেৱ বিশেষ সংখ্যা' ৰূপে প্ৰকাশ কৰাৰ দিহা কৰিছে । এই ক্ষুদ্ৰ কলেৱৰত গুৰুজনাৰ পৰিৱেশ কৰ্ম, শিল্প-চিন্তাক একেলগে ঠাই দিয়াতো সম্ভৱ নহয় । তথাপিও প্ৰচেষ্টাটোৰ প্ৰতি সদাশয় পাঠকে আদৰণি জনাব বুলি কামনা কৰিলো ।

সম্পাদক, 'সেউজ পত্ৰিকা'

# শংকৰদেৱৰ ধৰ্মমত আৰু পৰিৱেশৰ সুৰক্ষা


প্ৰণতি দাস


১৪৪৯ খ্ৰীষ্টাব্দ, আহিন মাহৰ শুক্লা দশমী তিথিৰ দিনা প্ৰভূ নাৰায়ণে শ্ৰীমন্ত শংকৰৰূপত বটদ্ৰবাধামত আবিৰ্ভাব হৈ আমাৰ মাজত ঐক্য-সংহতি-ভাতৃত্বৰ এনাজৰীডাল শক্তিশালী কৰাৰ উদ্দেশ্যে অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰম্ভ কৰিছিল ।

জয় জয় বটদ্ৰৱা, বৈকুণ্ঠ দূতয় ।
সেই থানে নিজগুৰু ভৈলন্ত উদয় ।।
সেই থানে নিজগুৰু পাতিলন্ত হাট ।
ৰাম নাম মহাৰত্ন বেহাইলা তথাত ।।
মধ্যে পাদশিলা দক্ষিণে নামঘৰ ।
মনিকূট গৃহ বান্ধি ৰহিলা শংকৰ ।।
দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্মিলা ।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা ।।
পছিমে শিলিখা বৃক্ষ হালিয়া আছয়
তাহাতে আউজি গুৰু পুস্তক লিখয় ।।
উত্তৰে আকাশী গংগা ভক্তি সৰোবৰ ।
মধ্যে ৰাত্ৰি নমাইলন্ত শ্ৰীমন্ত শংকৰ ।।
চাৰিফালে চাৰি হাটী মহা ভক্তগণ ।
চৈধ্যয় প্ৰসংগ কৰে নামৰ কীৰ্ত্তন ।।
সেই থানে নিজগুৰু কৰিলন্ত বাস ।
কহয় পুৰুষোত্তম দাসকো দাস ।।
কদম শিলিখা বেল আৰু বৃক্ষ আম ।
এই চাৰি বৃক্ষ চাৰি দিশে ভৈলা নাম ।।

বৰদোৱা ধামত চাৰি ফালে চাৰি জোপাকৈ এনেদৰে গছ ৰুই গুৰুজনাই ধৰ্মাৰিণ্ড কৰিছিল । গুৰুজনাই কেঁচা বা তিওৱা মাহ প্ৰসাদ বিতৰণৰ নিয়ম প্ৰৱৰ্তন কৰিছিল । আজিও নামঘৰতে হওক বা ঘৰতে হওক নাম কীৰ্ত্তন হ'লে — মাহপ্ৰসাদ আগবঢ়ায় আৰু জাউৰিয়ে জাউৰিয়ে নাম গায় । ভাদ মাহত নাম গোৱাটো প্ৰকৃতিৰ লগত সাঙোৰ খোৱা । 'শাওণত শালি ধান ৰোৱে হেপাহেৰে', শাওঁনত প্ৰায় মানুহৰে শালিধান ৰোৱা শেষ হৈ যায় । এই শালি ধান পথাৰৰ যাতে নদন-বদন হৈ উঠে, তাৰ বাবে গোটেই ভাদ মাহটোৱে নামঘৰ বোৰত নাম-প্ৰসঙ্গ হয় ।

শংকৰদেৱৰ সময়তে অসমত ধৰ্মৰ নামত অনেক অধৰ্ম বা ব্যভিচাৰ চলিছিল । মানুহৰ মন সুস্থ সনাতন ধৰ্মৰ পৰা আঁতৰত আছিল । এনে এটা পৰিস্থিতিৰ সন্মুখীন হৈ মহাপুৰুষ শংকৰদেৱে জনসাধাৰণৰ আগত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শ-দাঙি ধৰিবলৈ স্থিৰ কৰে । সমগ্ৰ ভাৰতৰ বিভিন্ন বৈষ্ণৱ সম্প্ৰদায়ৰ ক্ৰিয়া-কলাপ লক্ষ্য কৰি, নিজ দেশ, কাল আৰু পাত্ৰৰ উপযোগী ৰূপত শংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ বীজ ৰোপন কৰিলে, বহু দেৱ-দেৱীৰ পূজা বা বলি-বিধান আঁতৰাই একশৰণ নামধৰ্ম প্ৰচাৰ কৰিলে। এই ধৰ্মৰ মূল বাণী হল, 'এক দেৱ, এক সেৱ, এক বিনে নাই কেও ।' শংকৰদেৱৰ ধৰ্ম সেয়েহে পৰিবেশ ৰক্ষা কৰাত সহায় কৰে । বৈষ্ণৱ সকল নিৰামিষ ভোজী । জীৱ-জন্তু হত্যা নকৰে আৰু নাখায় । পূজা দিলে বলি দিব লাগিব। জীৱ-জন্তুৰ বলিৰ তেজেৰে প্ৰদূষণ হয়, বায়ু দূঃগৰ্ন্ধ হয় । জৈৱ বিচিত্ৰতা ধ্বংস হয়। সেই কাৰণে পূজা-পাতল নকৰি কেৱল মাত্ৰ হৰিৰ নাম গালেই কলিৰ জীৱে মুক্তি পায় বুলি কৈছে। শংকৰদেৱে নামঘৰত কেৱল ফল-মূল আৰু মাহ প্ৰসাদে ব্যৱহাৰ কৰিছিল । মাহ প্ৰসাদ খিনিও পৰিৱেশৰ লগত মিলে । মাহখিনি প্ৰসাদ বনাওঁতে কোনো কষ্ট নোহোৱাকৈ বনাব পাৰি । কেৱল তিয়াই থ'লেই হ'ল। মাহৰ লগত নাৰিকল সৰু সৰুকৈ কাটি শৰাই এখনত আগবঢ়াই দিলেই হয় । প্ৰসাদ বনাওঁতে জুই জলাব নেলাগে আৰু সিজাবও নেলাগে । প্ৰসাদ বিলাই দিয়াৰ সময়ত নিমখ আৰু আদা সৰু সৰু কৈ কুটি দিলেই হৈ গ'ল প্ৰসাদ । বুট-মুগ কেঁচাই খোৱাটোও স্বাস্থ্য সন্মত । প্ৰসাদ দিওঁতে কলপাতত দিয়ে । কলপাতত খোৱাটো স্বাস্থ্যৰ কাৰণে ভাল । বিশেষকৈ চকুৰ কাৰণে ভাল । শংকৰদেৱৰ নামত বুট-মুগৰ প্ৰসাদ দিয়াৰ প্ৰধান কাৰণটো হল ৰাইজে যাতে নামঘৰত একগোট হয়, আৰু হৰিৰ নাম গুণ কীৰ্ত্তন কৰিবলৈ আহে । হৰিৰ নাম কীৰ্ত্তন প্ৰশংসা কৰোতে কৰোতে ভকত সৱৰ হয়তো ভোক পিয়াহ লাগিব পাৰে, যাৰ কাৰণে এই প্ৰসাদেই ব্যৱহাৰ হৈছিল বুলি ধাৰণা হয় । মাহপ্ৰসাদে পেটৰ কোনো অন্যায় বা ক্ষতি নকৰে । এই প্ৰসাদ খালে সহজে ভোক-পিয়াহ নিবাৰণ হয় ।

শংকৰদেৱৰ ধৰ্মত শাৰীৰিক কষ্ট দিয়াৰ নিয়ম নাই ।

আনহাতে আন পশু হত্যা কৰি বলি দি ধৰ্ম কৰাৰ বিধানো নাই ।

"হংস ছাগ কাটি যিটো ৰুধিৰ কৰ্মক কৰে ।<br>
সি যদি সৰগে যায় নৰকত কোন পৰে ।।"

হাঁহ-ছাগলী বলি দি ৰক্তাক্ত কৰ্ম কৰা জনেই যদি স্বৰ্গলৈ যায় — নৰকলৈনো কোন যাব । এনেদৰেই শ্ৰীমন্ত শংকৰদেৱে বেদৰ ধৰ্মত, ধৰ্মৰ নামত পশুহত্যা নিষেধ কৰি গৈছে। ইয়াৰ ফলত অনাহকত পশু-হত্যা বন্ধ হৈছে আৰু ই নিঃসন্দেহে এক পৰিবেশ সন্মত সংস্কাৰ ।

এনেদৰে শঙ্কৰদেৱে তেৰাৰ ধৰ্মমতৰ জৰিয়তে প্ৰকৃতি আৰু পৰিবেশ সংৰক্ষণৰ শিক্ষা আমাক দি থৈ গৈছে ।

# পৰিবেশবিদ্ শ্ৰীমন্ত শংকৰদেৱ

প্ৰমোদ শইকীয়া

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সঁচা অৰ্থত এজন পৰিবেশবিদ্। পৰিবেশ বুলি কলে প্ৰথমতে প্ৰাকৃতিক আৰু সামাজিক পৰিবেশৰ কৰ্মাদি মনলৈ আহে আৰু এই প্ৰাকৃতিক পৰিবেশৰ ওপৰত নিৰ্ভৰ কৰিয়েই সামাজিক সাংস্কৃতিক সকলো পৰিবেশ গঢ় লৈ উঠে। এই প্ৰাকৃতিক পৰিবেশতে প্ৰথম জীৱ সৃষ্টি হৈছিল। জীৱ সৃষ্টিৰ প্ৰথম অৱস্থা স্থাৱৰ ৰূপত হৈছিল বুলি বিষ্ণু পুৰাণত পোৱা যায়। "স্থাৱৰং বিংশাতে লক্ষং" বুলি জীৱৰ ক্ৰম বিকাশত বিশ লাখ বাৰ স্থাৱৰ জন্ম উল্লেখ কৰিছে আৰু মহাপুৰুষেও তেৰাৰ লিখনিত "কোটি জন্ম অনন্তৰে জীৱে নৰ দেহ ধৰে" বুলি উল্লেখ কৰিছে আৰু হৰি নভজিলে পুনৰ আদি জন্মলৈ ঘূৰি যাব লাগে বুলি উল্লেখ কৰিছে যেনে "অৰণ্যে হৈবাহা ভাই তৃণ তৰু শীলা"। গতিকে দেখা যায় প্ৰকৃতিৰ মাজতে জীৱ সৃষ্টি আৰু প্ৰাকৃতিক পৰিবেশৰ ওপৰতে নিৰ্ভৰশীল হৈ সমস্ত জীৱ বৰ্তি থাকে, আৰু এই প্ৰাকৃতিক পৰিবেশ বিনষ্ট হোৱাৰ কাৰণেহে আজি বহুতো প্ৰাণী প্ৰকৃতিত বিলীন হৈ অস্তিত্ব নাইকীয়া হল। সেই কাৰণেই বোধ কৰো মহাপুৰুষ শংকৰদেৱে তেৰাৰ লিখনিৰ মাজেদি প্ৰাকৃতিক পৰিবেশ ৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

মহাপুৰুষ শংকৰদেৱৰ লিখনিত, 'দশম'ত এটি মনোৰম কাহিনী বৰ্ণনা কৰিছে তাত প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিহে যে আমি জীয়াই থাকো সেই প্ৰকৃতিহেযে আমাৰ দেৱতা আৰু সেই প্ৰকৃতিহে আমাৰ পূজাৰ পাত্ৰ, এই কথা সুন্দৰভাবে বৰ্ণনা কৰিছে। গোকুলৰ নন্দ ৰজাই প্ৰত্যেক বছৰত এবাৰ স্বৰ্গৰ ৰজা ইন্দ্ৰক পূজা কৰে। কৃষ্ণৰ সাত বছৰ বয়সতে এবাৰ এই পূজাৰ আয়োজন দেখি পিতাক নন্দক সুধিলে যে সেয়া কিহৰ আয়োজন। নন্দই পুতেক কৃষ্ণক ক'লে যে সেয়া ইন্দ্ৰ পূজাৰ আয়োজন, ইন্দ্ৰক পুজিলে বৰষুণ হয়। বৰষুণ হলে ঘাঁহ হয়। ঘাঁহ খাই গৰুৱে গাখীৰ দিয়ে আৰু আমি গাখীৰৰ ব্যৱসায় কৰি জীয়াই থাকো। শিশু কৃষ্ণই এই কথাৰ প্ৰতিবাদ কৰি ক'লে যে - পিতা এই কৰ্ম তুমি শাস্ত্ৰৰ বিচাৰমতে কৰিব খুজিছানে, লোক পৰম্পৰা অনুসৰি কৰিব খুজিছা ? "ইন্দ্ৰক পূজিলে যদি মেঘে বৰিষয়, কৈত শুনি আছা বন-পৰ্বতে পূজয় ?" ইন্দ্ৰক পূজিলে যদি মেঘে বৰষুণ দিয়ে তেন্তে বন-পৰ্বতে পূজা নকৰাকৈ কেনেকৈ বৰষুণ পায় ? গতিকে এই পূজা যুক্তি সংগত নহয়। আচলতে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি মেঘে বৰষুণ দিয়ে আৰু আটাইতকৈ ডাঙৰ কথা এই যে এই বন আৰু গোবৰ্দ্ধন পৰ্বতৰ ওপৰত নিৰ্ভৰ কৰি আমি জীয়াই আছো গতিকে এই গোবৰ্দ্ধন আৰু বনকহে পূজা কৰিব লাগে। "কৰ্ম মিলাই থাকৈ সবে, জীৱে যাত হন্তে, তাকেসে দেৱতা বুলি মানয় মহন্তে।" "পৰ্বতৰ নিদানে আমাৰ সৰ্বসিদ্ধি, আৰম্ভিয়ো পৰ্বতৰ পূজা যেন বিধি।।" অৰ্থাৎ এই বন আৰু পৰ্বতৰ ওপৰত নিৰ্ভৰ কৰি আমি জীয়াই আছো। পৰ্বতৰ গছ গছনিৰ দ্বাৰা ঘৰ দুৱাৰ নিৰ্মাণ, ফলমূল ভক্ষণ আৰু ইয়াৰ ঘাইঁ বন খাই আমাৰ গৰুৰ জীৱন ৰক্ষা আৰু আমাৰ জীৱিকা ৰক্ষা হৈ আছে। গতিকে এই প্ৰকৃতি পূজাৰ যেনে বিধি আৰম্ভ কৰিব লাগে, এই প্ৰকৃতিহে আমাৰ বাবে দেৱতা স্বৰূপ। ইয়াত যেনে বিধিৰ অৰ্থ হল যেনেকৈ পূজা কৰিলে বন পৰ্বতে গ্ৰহণ কৰিব পাৰে। ইয়াৰ অৰ্থ নিশ্চয় সাৰ পানীয়েই দিয়াটো হ'ব।

এইদৰে মহাপুৰুষ জনাই পৰিবেশ সংৰক্ষণৰ বিধান দিছিল । আজি গোটেই বিশ্বই যি প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ কথা চিন্তা কৰিছে মহাপুৰুষে পাঁচশ বছৰৰ পূৰ্বেই এই কাম কৰি থৈ গৈছিল । দশমত এবাৰ "বিপ্ৰ পত্নী প্ৰসাদ" খণ্ডত শ্ৰী কৃষ্ণই বলো ভদ্ৰৰ আগত প্ৰকাশ কৰা কথাৰ মাধ্যমেৰে মহাপুৰুষ জনাই প্ৰকাশ কৰিছে এক সুন্দৰ উদাহৰণ । কথাষাৰ এনেধৰণৰ, শ্ৰীকৃষ্ণই বলোভদ্ৰক বৃক্ষৰ গুণ বৰ্ণনা কৰি কৈছে —

" ইটো বৃন্দাবনে আছে যত গুৰুজন
দেখা দেখা কেনে মহা সাধুৰ লক্ষণ,
কৰৈ পৰ উপকাৰ কিনো কৃপাময়
পৰৱেশে অৰ্থে জীয়ে যত বৃক্ষচয়,
বাকলি পল্লৱ মূল পত্ৰ পুষ্প ফল
যেই যিবা চাৱে পাৱে বৃক্ষতে সকল । "

এই বৃন্দাবনৰ বৃক্ষ তৰু বোৰক সাধুৰ লগত তুলনা কৰাৰ অৰ্থ হৈছো সাধুক হিংসা কৰাটো অপঘাট কৰাৰ দৰে হব। এয়া প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণৰ এক সুন্দৰ প্ৰয়াসৰ নমুনা । এইদৰে ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে প্ৰচাৰ কৰা সাহিত্য ৰাজিৰ মাজে মাজে সুৰুঙা উলিয়াই মহাপুৰুষ জনাই মানুহক প্ৰকৃতিৰ প্ৰতি আকৰ্ষিত কৰি তাৰ সংৰক্ষণৰ প্ৰতি আগ্ৰহী কৰাৰ চেষ্টা কৰিছিল। কীৰ্ত্তনৰ হৰমোহনত এটি সুন্দৰ প্ৰাকৃতিক বৰ্ণনা পোৱা যায় । ইয়াত এখনি উপবণ বৰ্ণনা এনেধৰণৰ —

"পাছে ত্ৰিনয়ণ বিদ্য উপবন
দেখিলন্ত বিদ্যমান ।
ফল ফুল ধৰি জকমক কৰি
আছে যত বৃক্ষগণ ।।
শিৰীষ সেউতি তমাল মালতী
লবঙ্গ বাগি ওলাল ।
কৰবীৰ, বক কাঞ্চন চম্পক
ফুলভৰে ভাগে ডাল ।
শেৱালি নেৱালি পলাশ পাৰলি
পাৰিজাত জুতি জাই ।
বকুল বন্দুলি আছে ফুলি ফুলি
তাৰো সীমাসংখ্যা নাই ।।"

এইদৰে সেই সময়ত জন সমাজে চিনি পোৱা, নোপোৱা অথবা বহুতে নাম পৰ্যন্ত নুশুনা অনেক পুষ্পৰ নাম উল্লেখ কৰি এটি সুন্দৰ প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা কৰি প্ৰকৃতিৰ প্ৰতি মানুহৰ মন আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিছিল । ইয়াৰ পাছত গজেন্দ্ৰ উপাখ্যানত শাল, ডাল, আম, জাম বেল নাৰিকল আগৰ, চন্দন, পদ্ম সৰল, সোণাৰু আদি অনেক ফলমূলৰ বৃক্ষ আৰু অনেক মহামূল্যৱান গছৰ উল্লেখ কৰাৰ উপৰিও ৰাসলীলা খণ্ডত - "হে আম জাম বেল বকুল। নাহি উপকাৰী তোমাৰ তুল।"

বুলি এই গছ-গছনি যে মানুহৰ অতি উপকাৰী এই কথা প্ৰকাশৰ লগে লগে উপকাৰীক যে অজগৰে খাৰ নাপাই এই জ্ঞান প্ৰদান কৰিছিল আৰু এই বৃক্ষ সমূহক 'প্ৰতি গাছে গাছে ভীণ্ডা বান্ধি আছে" অৰ্থাৎ প্ৰতিজোপা গছৰে গুৰিত চাৰিওফালে ভেটি বান্ধি ৰখাৰ কথা উল্লেখ কৰি সাৰ জাৰৰ দি প্ৰতিপালন কৰাৰ কথা উল্লেখ কৰি থৈ গ'ল।

এইদৰেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰত্যক্ষভাৱে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত গুৰুত্ব দিয়াৰ উপৰিও পৰোক্ষভাৱে এক সেউজী ধৰণীৰ আশা কৰি তেৰাৰ অনুগামী সকলক কৃষি কৰ্মত জড়িত কৰিবলৈ ব্যৱস্থা কৰিছিল। উদাহৰণস্বৰূপে মহাপুৰুষ জনাৰ ধৰ্মত পৃথিৱীৰ কোনো ধৰ্মতে নথকা এটা নিয়ম প্ৰবৰ্তন কৰিলে সেয়া হ'ল যে ভকতক ভূঞ্জাবলে ভগৱন্তৰ চৰণত নৈবদ্য অৰ্পণ কৰিব লাগে সেই নৈবদ্যৰ ভিতৰত কৃষিজাত প্ৰায় সকলো মাহ প্ৰসাদ ফল-মূল অন্তৰ্গত হৈছে। সেই সমূহ হ'ল চাউল, মুগ, বুট, কল, কুঁহিয়াৰ, নাৰিকল, আম, আপেল, তামোল-পান আদি । সকলো খাদ্য দ্ৰব্য ভগৱন্তৰ চৰণত অৰ্পণ কৰি ভকতক খুৱাব লাগে। এতিয়া প্ৰশ্ন হ'ল ভকতক খুৱাব লগা দ্ৰব্য সমূহ ঈশ্বৰত অৰ্পণ কৰিব লাগিলে সেই সকলো দ্ৰব্য আমি নিজে উৎপাদন কৰিব লাগিব আৰু নিজে উৎপাদন কৰিব নোৱাৰা সকলে জেপৰ ধন ভাঙি সেই দ্ৰব্য কিনি আনি উৎপাদক সকলক পৰোক্ষভাৱে কৃষিত উদ্‌গনি যোগাব লাগিব। এয়া নিশ্চয় মহাপুৰুষ জনাৰ এক সেউজী ধৰণীৰ সপোন। ইয়াৰ উপৰিও মহাপুৰুষ জনা নিজেও কৃষি কৰ্মত জড়িত হৈ আনকো কৃষি কৰ্মত উদ্‌গনি দিয়াৰ কথা চৰিত পুথিত পোৱা যায়। এবাৰ কৃষি ভূমিৰ পৰা বনৰীয়া হাতী খেদাই শংকৰদেৱে কৃষকক সহায় কৰাৰ কথা পোৱা যায়। আকৌ এবাৰ মহাপুৰুষ জনাই শান্তিজান নামৰ এটা জান বান্ধি দি কৃষকক কৃষি কৰিবলৈ সহজে পানী পোৱাৰ ব্যৱস্থা কৰি দিছিল।

এইদৰেই মহাপুৰুষ জনাই প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ উপৰিও কৃষি কৰ্মৰ দ্বাৰাও এখনি সেউজী ধৰণীৰ সপোন দেখিছিল। এয়া হ'ল শ্ৰীমন্ত শংকৰদেৱৰ প্ৰকৃতি প্ৰেম আৰু পৰিৱেশ সংৰক্ষণৰ নমুনা। এই প্ৰাকৃতিক পৰিৱেশৰ লগতে মহাপুৰুষ জনাই এক সুন্দৰ সামাজিক পৰিৱেশৰো সৃষ্টি কৰিবলৈ যত্ন কৰিছিল আৰু জাত-পাত, পাত্ৰ, অপাত্ৰৰ ভেদাভেদৰ প্ৰাচীৰ ভাঙি এখন সুন্দৰ প্ৰেমময় পৰিৱেশৰ সমাজ আমাক দি গৈছিল। তেওঁৰ ধৰ্মত ব্ৰাহ্মণ কলিতা কোঁচ কৈৱৰ্ত সমস্ত - "একে লগে খায় চিৰা দুগ্ধ কল যত।"

অৰ্থাৎ মহাপুৰুষে জাত-পাতৰ ভেদ ভাঙি একেলগে খোৱাৰ উপৰিও এই সকলক ধৰ্মত শৰণ দিছিল আৰু "স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ" থকা ধৰ্ম প্ৰচাৰ কৰিছিল আৰু মানুহৰ পৰা প্ৰকৃতিলৈকে সকলোকে প্ৰেমেৰে আকোৱালি লবলৈ শিকাইছিল। "সমস্ত ভূততে ব্যাপি আছো মই হৰি সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।"

আকৌ "শৃগাল কুকুৰ গৰ্দভৰো আত্মাৰাম জানিয়া সবাকো পৰি কৰিব প্ৰণাম।" (কীৰ্ত্তন) বুলি কৈ প্ৰাকৃতিক পৰিৱেশৰ লগতে সামাজিক পৰিৱেশৰ ওপৰতো গুৰুত্ব আৰোপ কৰি এখন সুন্দৰ প্ৰেমময় পৰিৱেশৰ সমাজ গঢ়াৰ জ্ঞান দি নিজকে সমাজবিদ, ধৰ্মবিদ, জ্ঞানবিদৰ উপৰিও এগৰাকী সু-পৰিৱেশবিদ হিচাপে পৰিচয় দি গ'ল।

"জয়তু শ্ৰীমন্ত শংকৰদেৱ।"

(প্ৰসঙ্গ পুথি - কীৰ্ত্তন, দশম, ভাগৱত, চৰিতপুথি, বিষ্ণুপুৰাণ )

# শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত পৰিৱেশ - প্ৰকৃতি

কৰুণা কান্ত শৰ্মা

পাৰিপাৰ্শ্বিকতা বা পৰিৱেশই হৈছে মানৱ প্ৰাণৰ ধাৰক, বাহক আৰু জীৱনী শক্তি যোগান ধৰোতা সঞ্জীৱনী সুধা স্বৰূপ । পৰিৱেশৰ ওপৰতে মানৱৰ চিন্তন, মনন, আধ্যাত্মিক চিন্তা, নৈতিকতা, কৰ্মসংস্কৃতি, সাংস্কৃতিক জীৱন আৰু সামাজিক শংখলা নিৰ্ভৰ কৰে । সুস্থ পৰিৱেশে মানুহক সু-স্বাস্থ্য, সু-চিন্তা আৰু সু-কৰ্মৰ প্ৰতি উদগ্ৰ আগ্ৰহ জন্মায় । পৰিৱেশ বুলি ক'লে সাধাৰণতে আমি বসবাস কৰা পৃথিৱীখনৰ চাৰিওফালে থকা মাটি, পানী, বায়ু, পাহাৰ-পৰ্বত, হাবি, বননি, জান, জুৰি, খাল, বিল, নদ-নদী, ৰ'দ-বৰষুণ, শীত-তাপ, পাহাৰ-ভৈয়াম, গছ-গছনি, পশু-পক্ষী আদিৰে পৰিবেষ্টিত প্ৰাকৃতিক অৱস্থাকে বুজো। পৰিৱেশৰ লগত মানৱ আৰু জীৱ-জন্তুৰ অনাদি অনন্ত কালৰে পৰা নিবিড় সম্পৰ্ক । প্ৰকৃতিৰ লগত মানৱৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথা ভাৰতৰ বেদ, উপনিষদ, পুৰাণ আৰু মহাপুৰাণ আদি ঐতিহ্যপূৰ্ণ পৌৰাণিক শাস্ত্ৰৰাজিত অতি চিন্তা প্ৰসূত, যুক্তিনিষ্ঠ আৰু তাত্ত্বিকভাৱে বৰ্ণিত হৈছে। বেদ, উপনিষদ, পুৰাণ শাস্ত্ৰাদিত মানৱকূল আৰু জীৱ-জন্তুই বিশাল পৃথিৱীৰ উমাল কোলাত স্বাচ্ছন্দে জীৱন যাপন কৰাৰ উপযোগীকৈ প্ৰকৃতিয়ে পৰিৱেশ সৃষ্টি কৰাৰ কথা বিবৃত হোৱাৰ দৰে ভাৰতীয় মনীষীসকলৰ অমৰ সাহিত্যৰাজিতো প্ৰকৃতি আৰু মানৱৰ নিবিড় আত্মিক সম্পৰ্কৰ কথা তেওঁলোকৰ ছান্দিক ভাৱানুসঙ্গত বিচাৰি পোৱা যায়। প্ৰাকৃতিক অনুকূল পৰিৱেশে মানৱ আৰু জীৱ-জন্তুক শাৰীৰিক, মানসিক, জৈৱিক আদি বিভিন্ন দিশত উজ্জীৱিত কৰাৰ বাবেই পৃথিৱী নামৰ এই গ্ৰহ বিশেষত এইবোৰ প্ৰাণীৰ জীৱন ধাৰণ আৰু বৃদ্ধি সহজলভ্য হৈ পৰিছে। আৰু যিদিনাই প্ৰাকৃতিক পৰিৱেশে পৃথিৱীত ভাৰসাম্যহীন প্ৰতিকূল অৱস্থাত উপনীত হ'ব সেইদিনাই পৃথিৱী নামৰ এই অত্যুৎজ্জ্বল গ্ৰহটোৰ বিশ্বব্ৰহ্মাণ্ডত কোনো অস্তিত্বই নাথাকিব। আৰু জগতত মানৱ প্ৰজাতিৰো অৱলুপ্তি নিশ্চিত হৈ পৰিব। বৈদিক যুগৰে পৰা সেয়ে চিৰ ৰহস্যাবৃত পৃথিৱীৰ উৎপত্তি আৰু এই গ্ৰহত বসবাস কৰা মানৱ, জীৱ-জন্তু, চৰাই-চিৰিকটি, সৰীসৃপ আৰু প্ৰকৃতিৰ অৱলীলাক্ৰম স্বাচ্ছন্দ জীৱন ধাৰণৰ অনুকূল প্ৰাকৃতিক পৰিৱেশক আহ্বান জনাই ঋষি-মুণি আৰু মানৱে বিভিন্ন ধৰণে পূজা-পাতল কৰি আহিছে। সেয়ে আৰ্য ঋষি মুণিসকলে স্বৰ্ণগৰ্ভা, স্বৰ্ণসম্ভৱা পৃথিৱী আৰু আহতাদি সকলো শ্ৰেণীৰ বৃক্ষ, নদ-নদী, সাগৰ-মহাসাগৰ, পাহাৰ-পৰ্বত, মাটি-পানী-বায়ুক পূজাৰ্চনাৰে অভিৱাদন জনাই বিশ্বনিয়ন্তাৰ সৃষ্টিতত্ত্বৰ প্ৰতি কৃতজ্ঞতাৰ পাশত আবদ্ধ হৈছিল-

ওঁ স্যোনা পৃথিৱী নো ভাৱানুক্ষৰা নিবেশনী ।<br>
যচ্ছা নঃ শৰ্ম্ম সপ্ৰথাঃ ওঁ পৃথিব্যৈ দেব্যৈ নমঃ ।।

---

ওঁ অশ্বত্থাদি সৰ্ব্বেবৃক্ষেভ্যো নমঃ ।<br>
ওঁ লৱণাদি সপ্ত সাগৰেভ্যো নমঃ ।

সেয়ে আৰ্য ঋষি-মুণিসকলে বিশ্বব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাঙৰণ পৃথিৱীয়ে জীৱ-জন্তু, পশু-পক্ষী, মানৱ আৰু প্ৰকৃতিৰ জীৱন নিৰ্বাহৰ উপযোগী কৈ সিঁচি দিয়া প্ৰাকৃতিক পৰিৱেশত অভিভূত হৈ দেৱীস্বৰূপা আই মাতৃ বসুমতীক প্ৰাৰ্থনা জনাইছিল ।

মধুৰতা ঋতায়তে / মধু ক্ষৰন্তি সিন্ধবঃ
মাধ্বীনঃ সন্ত ওষধিঃ / মধুনক্তমূতোষসো ।
মধুমৎ পাৰ্থিবং ৰজঃ মধুদ্যৌৰস্তু নঃ পিতা
মধুমান্নো বনস্পতি মধুমানস্তু সূৰ্য্যঃ
মাধ্বী গাৰ্বো ভৱন্তু নঃ ।। (বৃহদাৰণ্যক উপনিষদ)

আৰ্য ঋষিসকলে আকাশক পিতৃ আৰু পৃথিৱীক মাতৃ স্বৰূপে জ্ঞান কৰিছিল । সেয়ে বাৰিষাৰ প্ৰথম মেঘৰ গাজনিক তেওঁলোকে পিতৃ আকাশৰ কামনাৰ ইঙ্গিত হিচাপে অনুভৱ আৰু উপলব্ধি কৰিছিল। আৰু কামোদ্দীপ্ত আকাশে বৰ্ষাৰ জলকণিকা অৰ্থাৎ শুক্ৰকীট সজীৱ উৰ্বৰা পৃথিৱী ৰূপী মাতৃৰ গৰ্ভত সংস্থাপন কৰি বিবিধ প্ৰকাৰৰ উদ্ভিদ, জীৱ-জন্তু, পশু-পক্ষী জন্ম দি সৃষ্টি কাৰ্যৰ মহিমা অনাদি অনন্ত কালৰে পৰা প্ৰকাশি আহিছে । সেয়ে তদানীন্তন ঋষি মুণিসকলে পিতৃ-মাতৃ স্বৰূপ আকাশ আৰু পৃথিৱীক সৃষ্টিৰ নিৰৱচ্ছিন্ন অৱধাৰিত ধাৰাটি জীয়াই ৰখাৰ বাবে পূজাৰ্চনা কৰিছিল । বিবিধ পশু-পক্ষী, কীট-পতঙ্গ, মানুহ সৰীসৃপ, শস্য-মৎস্য প্ৰসৱিনী মাতৃ স্বৰূপা পৃথিৱীক দ্ৰাবিড় সভ্যতাৰ সময়েৰে পৰা আৰ্য আৰু আৰ্যেতৰ লোকসকলে বিবিধ প্ৰকাৰে পূজা-পাতল কৰাৰ কথা বেদ উপনিষদত পোৱা যায় । সেয়ে ঋষি-মুণিসকলে পৃথিৱী, প্ৰকৃতিজগত আৰু শস্যৰ শ্ৰীবৃদ্ধিৰ হকে উপাসনা কৰা শ্লোকসমূহক 'কৃষি গীত' নামেৰে অভিহিত কৰা হয় । আনকি মানুহৰ মৃত্যু হ'লেও পৃথিৱীয়ে মৃতকক আশ্ৰয় দিবলৈ প্ৰাৰ্থনা জনোৱাৰ মন্ত্ৰও বেদত আছে ।

উপসৰ্গ মাতৰং ভূমিমেতা
মুৰুব্যচসং পৃথিৱীংসুশেবাং ।

সৰ্বশাস্ত্ৰ বিশাৰদ, বিদগ্ধ পণ্ডিত, বিশিষ্ট সমাজ বিজ্ঞানী, ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ পুৰোধা ব্যক্তি, অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ খনিকৰ, ললিত কলাৰ একনিষ্ঠ্য সাধক, ঈশ্বৰ আৰু ভকতৰ সেৱক আৰু মানৱ ধৰ্মৰ স্ৰষ্টা যুগনায়ক, অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চিন্তাদৰ্শ আৰু সাহিত্যৰাজিতো অসমীয়া তথা ভাৰতীয় মহাজাতিৰ জীৱন চৰ্যা বৰ্ণিত হোৱাৰ লগতে তেখেতৰ কালজয়ী সাহিত্য সম্ভাৰত অসমৰ প্ৰাকৃতিক পৰিৱেশৰ সাৱলীল বৰ্ণনা পোৱা যায় । পৰিৱেশ বুলি ক'লে ঠেক অৰ্থত কোনো এটি ভৌগলিক অঞ্চলৰ পাৰিপাৰ্শ্বিক অৱস্থা আৰু প্ৰাকৃতিক স্থিতাৱস্থাক বুজাই যদিও, বহল অৰ্থত পৰিৱেশ শব্দটিয়ে সমাজৰ সৰ্বস্তৰৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয়, ভাষিক, নৈতিক, শৈক্ষিক, বৌদ্ধিক, আৰ্থিক, আভ্যন্তৰীণ, আন্তৰ্জাতিক, যুদ্ধ-বিগ্ৰহ আদি সকলো পৰিৱেশকে সামৰি লয় । আমি এই আলোচনাত প্ৰাকৃতিক পৰিৱেশকে প্ৰাধান্য দি আলোচনাত প্ৰবৃত্ত হোৱাতো নিশ্চয় সমীচিন হ'ব । এই প্ৰসঙ্গত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিচক্ষণ বুদ্ধিৰে প্ৰোজ্জ্বল আৰু বাস্তৱানুগ চিন্তা-ভাৱনা, আধ্যাত্মিক ধ্যান-ধাৰণা আৰু সুদূৰপ্ৰসাৰী লক্ষ্য-সাধনা আৰু আদৰ্শেৰে উদ্দীপ্ত এগৰাকী আগশাৰীৰ পৰিৱেশ বিজ্ঞানী আছিল বুলি বিনাদ্বিধাই ক'ব পাৰি । সুস্থ শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক পৰিৱেশ নাথাকিলে এখন সুস্থ সমাজৰ কল্পনা কেতিয়াও কৰিব নোৱাৰাৰ সদৃশে সুস্থ আৰু স্বাস্থ্য সন্মত প্ৰাকৃতিক পৰিৱেশ নাথাকিলেও এখন সৰ্বাঙ্গ সুন্দৰ আৰু স্বাস্থ্য সন্মত সমাজ, সভ্যতা আৰু সংস্কৃতিৰ ক্ৰমবিকাশৰ কথাও ভাৱিব নোৱাৰি বুলি মহাপুৰুষগৰাকীয়ে মৰ্মে মৰ্মে

উপলব্ধি কৰিছিল । মহাপুৰুষগৰাকীয়ে জগত আৰু জীৱনৰ গভীৰ তত্ত্ব আৰু জীৱন জিজ্ঞাসা উপলব্ধি কৰাৰ মানসেৰে ১৪৮১ চনৰে পৰা তেখেতৰ কেইগৰাকীমান প্ৰিয় শিষ্য সঙ্গত লৈ বাৰ বছৰ কাল শ্ৰীক্ষেত্ৰ, পুৰী, জগন্নাথকে আদি কৰি উত্তৰ ভাৰতৰ ভালেমান তীৰ্থ-স্থান দৰ্শন কৰি নৱ বৈষ্ণৱ ধৰ্মৰ গণতান্ত্ৰিক ৰূপ বৈভৱৰ সংস্পৰ্শলৈ আহি আধ্যাত্মিক দৰ্শনৰ ভেটি মজবুত কৰিছিল । দ্বিতীয়বাৰ তেখেতে ১৫৪৬ চনৰ পৰা দুবছৰ কাল পুৰী আদি প্ৰথমবাৰৰ আধৰুৱা তীৰ্থস্থান সমূহ দৰ্শন কৰে । মুঠতে চৈধ্য বছৰ কাল তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতাৰে পুষ্ট মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাৰতবৰ্ষৰ সামাজিক জীৱনৰ সৰ্বস্তৰৰ পৰিৱেশ অধ্যয়ন, অনুধাৱন, সংশ্লেষণ আৰু বিশ্লেষণ কৰি তেখেতৰ সৃষ্টিৰাজি, জীৱন দৰ্শন, সাহিত্য দৰ্শন, সামাজিক জীৱন, আধ্যাত্মিক জীৱন আৰু ব্যক্তিগত জীৱনতো তাৰ সুন্দৰ প্ৰয়োগ সাধন ঘটাইছিল । অসমৰ প্ৰাকৃতিক জগতৰ চিত্ৰ বৈভৱ আৰু প্ৰকৃতিৰ ৰমণীয় ৰূপ শোভা আৰু অনিৰ্বচনীয় মদকতাৰে পৰিপূৰ্ণ সজল সজীৱ পৰিৱেশ তেখেতৰ বৰগীত কিছুমানত বিৰিঙি উঠিছে।

ধ্ৰুং —
আনন্দে গোবিন্দে বায় বৃন্দাবনে বেণু।
ৰূপে ভুৱন ভুলে, ৰহিয়া কদম্ব মূলে,
কালিন্দী তীৰে ৰাখে ধেনু ।।

*(অহা সংখ্যাত)*

☎ 03667-250694 (O), 94351-25695 (M)

# BHABANI BOOK STALL

Near I.N.A. Field, W/No. 13, P.O. Bilasipara
Dist. Dhubri (Assam) PIN - 783348

*THIS ULTIMATE STALL DEALS IN SCHOOL AND COLLEGE BOOKS, RELIGIOUS BOOKS, COMPETITIVE EXAM. BOOKS, STORY BOOKS, NOVELS, QUALITY EXERCISE COPY & NUMEROUS STATIONERY ITEMS.*

*GREEN LETTER OR SEUJ PATRIKA, an environmental Journal Published by Bilasipara College Library Study Circle in collaboration with Aranya Suraksha Samiti, Assam.*
*Address for Communication :- Bilasipara College Library, Bilasipara Dist. Dhubri (Assam) 783348*

**Price - Rs. 5/-**

Editor - Hari C. Das (Hon.)
Dial : 94351-25822 (M)

PRINTED BY - SHYAM SUNDAR COMPUTER PRESS,G.B. LAXMI COMPLEX, BILASIPARA, Mobile - 94352-89565